# এলে বেলে MBA পাছ

দেৱজিৎ ভূঞা



ইতিমধ্যে আমি উল্লেখ কৰিছো যে discipline আৰু punctuality একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠিৰ দৰে। সেয়ে আমাৰ সমাজত সময়ানুৱৰ্তী মানুহৰ অভাৱ হোৱা বাবে নিয়মানুৱৰ্তী মানুহৰো অভাৱ হৈছে আৰু নিয়মানুৱৰ্তী মানুহৰ অভাৱ হোৱা বাবেই সময়ানুৱৰ্তী মানুহৰ অভাৱ হৈছে। আমাৰ সমাজৰ, আমাৰ ৰাজ্যৰ, আমাৰ দেশৰ উন্নতি আৰু প্ৰগতিৰ বাবে আমি এক নিয়মানুৱৰ্তী আৰু সময়ানুৱৰ্তী সংস্কৃতি গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে প্ৰত্যেকেই চেষ্টা কৰাৰ লগতে আমি অগ্ৰজসকলে বৈৰাগী ছাৰে দেখুৱাই যোৱা আদৰ্শ আগবঢ়াই লৈ যাব লাগিব। সমাজত যেতিয়া হেজাৰজন বৈৰাগী ছাৰৰ সৃষ্টি হ'ব সিয়ে এদিন সময়ানুৱৰ্তী আৰু নিয়মানুৱৰ্তী সংস্কৃতিৰ জন্ম দিব। নিজে জীৱনত কৃতকাৰ্য হোৱাৰ লগতে এনে সংস্কৃতিয়ে ৰাজ্যখনক এদিন কৃতকাৰ্যতাৰ জখলাত আগুৱাই নিয়াৰ লগতে সমগ্ৰ ভাৰতবৰ্ষকে বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিণত কৰিব। ইউৰোপ বা আমেৰিকাৰ কোনো দেশেই প্ৰতিযোগিতাত আমাক পিচ পেলাব নোৱাৰিব। আমি যদি ৰাজধানী এক্সপ্ৰেছ বা বিমান কোনোদিনে মিছ কৰা নাই তেন্তে আমি অফিচলৈ সময়মতে নিশ্চয় আহিব পাৰিম।

১৯৭৫ চন। আমি তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। ভাৰতবৰ্ষত জৰুৰী অৱস্থা ঘোষণা কৰা হ'ল। সেই সময়ত গাড়ী-মটৰ, ৰাস্তা-পদূলিত থকা হ'ৰ্ডিংসমূহত এযাৰ কথা শ্ল'গান হিচাপে খুব প্ৰচাৰ কৰা হ'ল— 'দেশ প্ৰগতিৰ পথত, কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই।' দেশৰ সঁচাকৈয়ে প্ৰগতি হৈছিল নে নাই, জৰুৰী অৱস্থা উচিত আছিল নে নাই আজিও বিতৰ্কৰ বিষয়। কিন্তু কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই কথাষাৰ তেতিয়াও বিতৰ্কৰ ঊৰ্ধ্বত আছিল আৰু আজিও বিতৰ্কৰ ঊৰ্ধ্বত। পৰীক্ষাত ভাল ফলাফল পাবলৈ কঠোৰ শ্ৰম কৰিব লাগিব। গান-বাজনাত মূধাফুটা গায়ক হ'বৰ বাবে কঠোৰ শ্ৰম কৰিব লাগিব, ভাল ব্যৱসায়ী হ'বৰ বাবে কঠোৰ শ্ৰম কৰিব লাগিব, চাকৰিত উন্নতি হ'বৰ বাবে কঠোৰ শ্ৰম কৰিব লাগিব, খেতি পথাৰত ভাল ফচল পাবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব, নিৰ্বাচন জিকি নৰেন্দ্ৰ মোডীৰ দৰে ভাৰতৰ প্ৰধানমন্ত্ৰী হ'বলৈ কঠোৰ শ্ৰম কৰিব লাগিব। সঁচাকৈয়ে উন্নতিৰ বাবে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই।' আমাৰ শাস্ত্ৰতো আছে যে কৰ্মই ধৰ্ম। অৰ্থাৎ work is religion. শ্ৰীমদ্ভাগৱত গীতাত শ্ৰীকৃষ্ণই কৈছে যে কৰ্মযোগৰ দ্বাৰাও মানুহে মোক্ষ লাভ কৰিব পাৰে।

'Karman'aiva hi samsiddhim asthita Janakadayah
Loka-samgrahm evapi sampasyan kartum arhasi.'

অৰ্থাৎ জনকৰ দৰে ব্যক্তিয়ে কেৱল কৰ্মৰ দ্বাৰা মোক্ষ বা perfection লাভ কৰিছে, তুমি বিশ্বৰ মংগলৰ বাবে কাম কৰা। গীতাত শ্ৰীকৃষ্ণই আৰু কৈছে—

'Loke'smin dividha nistha pura prokta mayanagha
inana-yogena samkhyanam karma yogena yoginam.'

অৰ্থাৎ Intimes of yore a twofold spiritual path was taught by me, O sinless one– that at knowledge for Samkhyas (who are pure contemplatives), and that of action for Yogis (who combine detached work with devotion). অৰ্থাৎ জ্ঞান আৰু কৰ্ম দুয়োটা পথেৰেই আধ্যাত্মিক মুক্তি বা মোক্ষ বা perfection লাভ কৰিব পৰা যায়।



সকলো ধৰ্মই মানুহক কাম কৰিবৰ বাবে উৎসাহিত কৰে যদিও বৰ্তমান সময়ত আমাৰ ৰাজ্যত আৰু দেশত কৰ্ম-সংস্কৃতিৰ

পৰিবৰ্তে ভুকুতে কল পকাই খোৱাৰ অপ-সংস্কৃতিয়েহে প্ৰসাৰ লাভ কৰিছে। কাম কৰি কৃতকাৰ্য হোৱাৰ পৰিবৰ্তে ধন দাবী কৰি ৰাতিৰ ভিতৰতে ধনী হোৱাৰ প্ৰৱণতা এটা জাতিৰ বাবে আত্মঘাতী হ'ব পাৰে। ধৰ্মৰ নামত মানুহৰ মাজত বিভাজন হোৱাৰ পৰিবৰ্তে কৰ্মই ধৰ্ম বুলি মানুহক উদ্বুদ্ধ কৰাৰ বৰ্তমান অধিক প্ৰয়োজন।

কঠোৰ পৰিশ্ৰমৰ লগতে কৃতকাৰ্যতাৰ বাবে লাগিব enthusim বা উৎসাহ আৰু উদ্দীপনা। উৎসাহ আৰু উদ্দীপনা নাথাকিলে কোনো কামেই আগনাবাঢ়ে আৰু নতুন কোনো কাৰ্য বা project আৰম্ভ নহয়। Discipline, punctuality আৰু hard workৰ লগত যেতিয়া enthuism যোগ হয় তেতিয়া মানুহৰ মনত সাহস আৰু আত্মবিশ্বাস অৰ্থাৎ courage and confidenceৰ সৃষ্টি হয়। আমাৰ অসমীয়াতো কোৱা হয় যে 'সাহেই সিদ্ধি' অৰ্থাৎ courage আৰু confidence থাকিলে সকলো কামেই কৰিব পাৰি আৰু জীৱনত কৃতকাৰ্যতা লাভ কৰাটো অতি সহজসাধ্য হয়। আচলতে ক'বলৈ হ'লে attitude যদি এটা ঘৰৰ foundation হয় তেন্তে discipline, punctuality, hard work আৰু enthuism (courage আৰু Confidenceৰ সৈতে) ইয়াৰ চাৰিটা pillar.

জীৱনৰ বাটত বা আমাৰ কৰ্মজীৱনত আমি বহুতকেই বহু প্ৰতিশ্ৰুতি দিওঁ, কিন্তু তাৰে সৰহভাগ আমি পালন নকৰো। ফলত মানুহৰ মাজত, সমাজত ক্ৰমান্বয়ে আমাৰ বিশ্বাসযোগ্যতা কমি যায় আৰু আমাৰ কথাৰ গুৰুত্ব নথকা হয়। কিন্তু আজিৰ পৰা ৪০-৫০ বছৰ আগতে দেউতাহঁতক দেখা পাইছিলো যে প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ বাবে সৰ্বস্ব ত্যাগ কৰিবলৈও প্ৰস্তুত আছিল। সেয়ে দেউতাহঁতৰ মুখত আমি শুনিছিলো— 'প্ৰাণ যায় বচন নাযায়' কথাষাৰ। বাপেকৰ বচন বা জবান ৰাখিবৰ বাবে ৰামচন্দ্ৰ ১৪ বছৰ বনবাসলৈ গৈছিল। জীৱনত কৃতকাৰ্য হ'বৰ বাবে আমি খুব ভাবি-চিন্তি commitment দিব লাগে আৰু তাক সম্পূৰ্ণকৈ পালন কৰিব লাগে। আমি আমাৰ বন্ধুবৰ্গক, আমাৰ companyক, আমাৰ সমাজক, আমাৰ দেশক দিয়া commitment যদি পূৰণ নকৰো, সমাজে আমাক কেতিয়াও কৃতকাৰ্য বা সঁচা অৰ্থত ভাল মানুহ বুলি স্বীকৃতি নিদিব। স্বামী-স্ত্ৰীৰ commitmentত যেনেকৈ যুগ্ম জীৱন আৰু সংসাৰ এখন স্থায়ী হয় commitment পালন কৰিলে এদিন জীৱনৰ দৌৰতো কৃতকাৰ্য হ'ব পাৰি। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো দেখা যায় যে যি ব্যক্তিয়ে নিজৰ commitment ৰাখিব পাৰে তেনে ব্যক্তিয়েহে ব্যৱসায়-বাণিজ্যত উন্নতি কৰিব পাৰে।

ইংৰাজীত এষাৰ কথা আছে— 'knowledge is power' অৰ্থাৎ জ্ঞানেই শক্তি বা ক্ষমতা। জীৱনত কৃতকাৰ্য হ'বৰ বাবে বা আগুৱাই যাবৰ বাবে জ্ঞান আহৰণ অপৰিহাৰ্য। যদিও কোৱা হয় যে knowledge is the power কিন্তু আমি যদি সেই জ্ঞানৰ প্ৰয়োগ নকৰো তেন্তে সেই জ্ঞান মূল্যহীন। Knowledge যদি power তেন্তে skill হ'ল cutting edge. বৰ্তমান সময়ত technologyৰ দ্ৰুত প্ৰসাৰ আৰু দ্ৰুত পৰিবৰ্তনৰ বাবে প্ৰয়োজনীয় হোৱা জ্ঞানৰো দ্ৰুত পৰিবৰ্তন হয়। আজি আহৰণ কৰা জ্ঞানৰ কাইলৈ প্ৰয়োজন নোহোৱা হয় আৰু কাইলৈৰ জ্ঞানৰ পৰহিলৈ প্ৰাসংগিকতা নোহোৱা হয়। মানুহৰ জীৱনটোৱেই শিক্ষা জীৱন বুলি কোৱা কথাষাৰ বৰ্তমান সময়ত আৰু অধিক প্ৰযোজ্য হৈছে। কৃতকাৰ্য হ'বৰ বাবে বৰ্তমান আমি নতুন জ্ঞান আহৰণ কৰিব পাৰিব লাগিব আৰু পুৰণি জ্ঞান এৰি দিব পাৰিব লাগিব। Learn-unlearn-learn-unlearn এটা নিৰৱচ্ছিন্ন ক্ৰম হ'ব লাগিব। Skill উন্নত কৰিবৰ বাবে আমি Covey-এ কোৱাৰ দৰে আমাৰ কৰত বা cutting edge ধাৰ দি যাব লাগিব।

কৃতকাৰ্যতাৰ বাবে শ্ৰম, জ্ঞান, দক্ষতাৰ সমানে গুৰুত্বপূৰ্ণ হ'ল


MOODY INTERNATIONAL
UKAS
An ISO 9001 : 2008 Certified Company

Adidev

Complete Hair Therapy

Adidev- Anti Dandruff Shampoo
Adidev- Natural Protein Shampoo
Adivev- Natural Colour Protector Shampoo
Adivev- Natural Conditioner Shampoo




For Trade Enquiry call : +91 97060 07809



বুদ্ধিমত্তা বা বিচাৰশক্তি বা wisdom. বুদ্ধিমত্তা বা wisdom অবিহনে জ্ঞান আৰু দক্ষতাৰ সম্যক প্ৰয়োগ কৰি উন্নতি বা success লাভ কৰা অসম্ভৱ। এসময়ত এখন ৰাজ্যত এজন কৃষকৰ চাৰিজন পুতেক আছিল। তাৰে তিনিজন প্ৰখৰ মেধা শক্তিসম্পন্ন আছিল যদিও চতুৰ্থ পুতেকজন কম মেধাৰ আছিল। কিন্তু তেওঁৰ বুদ্ধিমত্তা বা wisdom আছিল ভাল। এবাৰ কৃষকজনে চাৰিওজন পুতেকক আন এখন ৰাজ্যত থকা এজন পণ্ডিতৰ ঘৰত জ্ঞান আহৰণ কৰিবৰ বাবে পঠাই দিলে। পণ্ডিতজনে অন্যান্য জ্ঞানৰ লগতে প্ৰথমজন পুতেকক কেনেদৰে মৰা জীৱ-জন্তুৰ জঁকা লগ লগাব পাৰি তাকো শিকালে। দ্বিতীয়জন পুতেকক কেনেকৈ মৰা জঁকাত মাংস-ছাল আদি দিব পাৰি, সেই কথা শিকালে আৰু তৃতীয়জন পুতেকক কেনেকৈ তাত জীৱৰ সঞ্চাৰ কৰিব পাৰি সেই কথা শিকালে। চতুৰ্থজন পুতেক কম মেধাৰ হোৱা বাবে পণ্ডিতে একো অতিৰিক্ত কথা নিশিকালে। শিক্ষা সমাপ্ত কৰি ঘৰলৈ ঘূৰি অহাৰ পথত চাৰিওজন ভাই-ককায়েকে এখন ডাঙৰ হাবি পাৰ হ'বলগা হ'ল। হাবিৰ মাজ পাওঁতেই ল'ৰাকেইজনে এটা মৰা জন্তুৰ হাড়-মূৰ পৰি থকা দেখা পালে। নতুনকৈ জ্ঞান লোৱা তিনিও ভাই-ককায়েকে গুৰুৱে দিয়া জ্ঞানৰ পৰীক্ষা কৰিবৰ বাবে হাড়-মূৰখিনি গোটাই পেলালে। ইয়াৰ পিচত প্ৰথমজন পুতেকে হাড়-মূৰখিনিৰে এটা জঁকা তৈয়াৰ কৰি তুলিলে আৰু দ্বিতীয়জন পুতেকে তাত মাংস আৰু ছালৰ সংযোজন কৰি দি দেখিলে যে সেইটো এটা সিংহৰ হাড়-মূৰ আছিল। তৃতীয়জন পুতেকে সিংহটোক জীৱন দিবলৈ খোজাৰ সময়ত চতুৰ্থ পুতেকে বাধা দি ক'লে যে যদি সঁচাকৈয়ে গুৰুৱে শিকোৱাৰ দৰে সিংহটো জীয়াই উঠে সি আমাৰ বাবে ভয়াৱহ হ'ব আৰু সিংহটো জীয়াই তোলাৰ পৰিবৰ্তে তৎক্ষণাৎ হাবিৰ পৰা ওলোৱাটোহে শ্ৰেয়। এই কথাত জ্ঞানপ্ৰাপ্ত তিনিজন পুতেকৰ খং উঠিল আৰু ভায়েকক গালি পাৰি গুৰুৰ শিক্ষা পৰীক্ষা কৰিবই বুলি ঠিৰাং কৰিলে। এই কথাত চতুৰ্থ ভায়েকে ভয় খাই দৌৰ মাৰি ওচৰৰ এজোপা গছত উঠিল। তৃতীয় ভায়েকে গুৰুৱে দিয়া বিদ্যা প্ৰয়োগ কৰাৰ লগে লগে সিংহটো জী উঠিল আৰু তিনিও ভায়েকক আক্ৰমণ কৰি মাৰি পেলালে। গছৰ ওপৰৰ পৰা চতুৰ্থ ভায়েকে এই দৃশ্য দেখি চকুপানী টুকিলে আৰু সিংহটো ঘন হাবিৰ ফালে গুচি যোৱাৰ পাচত গছৰ পৰা নামি ঘৰলৈ লৰ ধৰিলে। Wisdom বা বিচাৰ শক্তি অবিহনে কেৱল জ্ঞান কিমান বিপজ্জনক হ'ব পাৰে আমি সকলোৱে উপলব্ধি কৰিব পাৰো।

Honesty is the best policy বুলি আমি সকলোৱে জানো আৰু প্ৰায়ে উদ্ধৃতি দিওঁ। কিন্তু বৰ্তমান সময়ত সমাজত honestyৰ বিশেষ অভাৱ। বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহত সততা বিচৰাটো পৰ্বতত কাছকণী বিচৰাৰ দৰে। Honestyৰ অভাৱৰ বাবেই চাৰিওফালে corruption বা দুৰ্নীতিয়ে আমাৰ ৰাজ্য আৰু দেশখন ছানি ধৰিছে। কৃতকাৰ্য হ'বৰ বাবে যদি আমি সততা ত্যাগ কৰিবলগা হয়, তেন্তে সেই কৃতকাৰ্যতা কেতিয়াও প্ৰকৃত কৃতকাৰ্যতা হ'ব নোৱাৰে। কৃতকাৰ্য হোৱাৰ পিচতো মানুহ সৎ হৈ থাকিব পাৰিব লাগিব। সেয়ে কোৱা হয় যে মহন্তৰ চিন মাহনিত। আমি যদিও আজিকালি কওঁ যে এতিয়া সততাৰ মূল্য নাই, আচলতে সেয়া সঁচা নহয়। সততাৰ মূল্য সদায়ে আছিল আৰু আগলৈও থাকিব। সততা হ'ল এক অমূল্য সম্পদ আৰু সেয়ে আমি সাধাৰণ মূল্যৰে সততাক জুখিব খুজি সততাক অৱমূল্যায়ন কৰো। কৰ্প'ৰেট জগত বা সমাজত এতিয়াও সৎ মানুহৰ অতি প্ৰয়োজন আৰু প্ৰকৃত সৎ মানুহে নিজৰ শিৰ উচ্চ কৰি আগুৱাই গৈ এদিন সঁচা অৰ্থত কৃতকাৰ্যতা লাভ কৰে। আমি যদি সততা ত্যাগ কৰি কৃতকাৰ্য হওঁ, সমাজৰ চকুত ধূলি দিলেও নিজৰ অন্তৰাত্মাৰ ওচৰত কিন্তু সদায়ে নিজক মিছলীয়া বা ঠগ বুলি পৰিচয় দিব লাগিব আৰু নিজৰ চকুত হেয় হৈ কৃতকাৰ্য হোৱাতকৈ সাধাৰণ জীৱন যাপন শতগুণে শ্ৰেয়।

Corporate world বা চৰকাৰী চাকৰিসমূহত প্ৰতিবছৰে একোজন কৰ্মচাৰী বা বিষয়াৰ কাৰ্যদক্ষতাৰ খতিয়ান লোৱা হয়। এই কাৰ্যদক্ষতাৰ খতিয়ান বা performance appraisal এটা colum থাকে, য'ত মানুহজনৰ নৈতিক সততা বা integrityৰ কথা সোধা হয়। এজন মানুহ সকলো দিশতে ভাল হ'ব পাৰে, efficient হ'ব পাৰে, disciplined হ'ব পাৰে কিন্তু তেওঁৰ যদি নৈতিক সততা বা integrity সন্দেহজনক বা doubtful হয় তেন্তে তেওঁক কোনো কামতে বিশ্বাস কৰিব নোৱাৰি। সন্দেহজনক integrityৰ মানুহে জীৱনত কেতিয়াও আগুৱাই যাব নোৱাৰে। আমি যি অনুষ্ঠান-প্ৰতিষ্ঠানতেই কাম নকৰো কিয় আমাৰ যদি সেই অনুষ্ঠান বা প্ৰতিষ্ঠানৰ প্ৰতি loyalty নাথাকে, আমাৰ যদি দেশৰ প্ৰতি অনুগত্য নাথাকে, তেন্তে আমি কেতিয়াও কৃতকাৰ্য হ'ব নোৱাৰো। Doubtful integrityৰ মানুহক সমাজতো সকলোৱে সন্দেহৰ চকুৰে চায় আৰু তেওঁৰ কথা তথা কামৰ ওপৰত সকলোৰে নজৰ থাকে। Integrity থকা মানুহককহে সমাজ বা ব্যক্তিগত খণ্ডত বিশ্বাসত লোৱা হয় আৰু ডাঙৰ কামৰ দায়িত্ব দিয়া হয়।

মোৰ বন্ধুৰ এম বি এ পঢ়িবলৈ ওলোৱা ল'ৰাজনক ইমানখিনি ব্যাখ্যা দিয়াৰ পিচত শেষত ক'লো যে মেনেজাৰ হিচাপে কৃতকাৰ্য হোৱাটো যিমানেই গুৰুত্বপূৰ্ণ, সিমানেই গুৰুত্বপূৰ্ণ হ'ল এজন ভাল মানুহ হোৱাটো। কাৰণ সমাজত এতিয়া ভাল মানুহৰ, honest মানুহৰ, integrity থকা মানুহৰ অধিক প্ৰয়োজন। তুমি যদি এই দহটা key word হৃদয়ংগম কৰি অনুসৰণ কৰা মোৰ দৃঢ় বিশ্বাস তুমি এদিন এজন good human being হ'বাই আৰু এজন good human being সদায়ে বা naturally এজন কৃতকাৰ্য বা successfull man.